# নৈশ যাত্ৰীবাহী বাছে মহতিয়ালে আৰক্ষীৰ তহলদাৰী বাহন

**জনগণ সেৱা, শিৱসাগৰ, ৬ ডিচেম্বৰ ঃ** ডাঠ কুঁৱলিৰ বাবেই সঘনাই সংঘটিত হৈছে পথ দুৰ্ঘটনা। শিৱসাগৰ সদৰ থানাৰ নৈশ তহলদাৰী দলটোৱে শিৱসাগৰৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেদি গৈ থকা অৱস্থাত স্থানীয় প্ৰগতি চাৰিআলিৰ সমীপত নৈশ যাত্ৰীবাহী বাছ এখনে খুন্দা মৰাত তহলদাৰী আৰক্ষীৰ গাড়ীখনৰ সৈতে পাঁচজন লোক আহত হয়। জানিব পৰা মতে পুৱতি নিশা ১-৩০ বজাত গুৱাহাটীৰ পৰা তিনিচুকীয়া অভিমুখী নৈশ যাত্ৰীবাহী এ এছ ০১ এইছ ৬২৮৮ নম্বৰৰ বাছখনে সদৰ আৰক্ষী তহলদাৰী দলৰ এ এছ ৩০-৬২৮৬ নম্বৰৰ গাড়ীখনক পিছফালৰ পৰা তীব্ৰ বেগেৰে খুন্দা মৰাত শিৱসাগৰ আৰক্ষী দলৰ সহকাৰী উপ-পৰিদৰ্শক লোকনাথ বসুমতাৰী, চি আৰ পি এফৰ সহকাৰী উপপৰিদৰ্শক সুচবীৰ সিং, কনিষ্টবল অচ্যুত গগৈ, এচ এচ সিনহা আৰু গৃহৰক্ষীৰ জোৱান ইনুল আলী আহত হয়। ইয়াৰে ইনুল আলী নামৰ গৃহৰক্ষী জোৱানজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।

# শ শ বিঘা আলু খেতি আক্ৰান্ত অচিন ৰোগত

## ফল ধৰাৰ সময়ত লাগিছে এই ৰোগ ঃ গভীৰ নিদ্ৰাত ৰাজ্যৰ কৃষি বিভাগ

**জনগণ সেৱা, কোকিলা, ৬ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম গ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত শ শ বিঘা আলুখেতি অচিন ৰোগত আক্ৰান্ত হোৱাত কৃষকসকলে মূৰে কপালে হাত দিবলগীয়া হৈছে। সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত কোকিলা, নাম্বাৰপাৰা, শৌলমাৰী, চাকলা, গোলাপাৰা, বাংলাপাৰা আদি কৰি শ শ বিঘা আলুখেতিত অচিন ৰোগে আক্ৰান্ত হৈ নষ্ট হ'ব ধৰিছে। ইফালে মানিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ভাণ্ডাৰা, বাশবাৰী, আউলাগুৰী, ছালাবিলা, জামদহা আদি কৰি শ শ বিঘা আলু খেতি অচিন ৰোগৰ কবলত পৰিছে। উল্লেখযোগ্য যে খেতিয়ক সকলে অতি কষ্টৰে মূৰৰ ঘাম মাটিত পেলাই অতি যত্নৰে আলুখেতি কৰিছিল। ফলবোৰ ধৰাৰ সময়ত এনেকুৱা



অচিন ৰোগত আক্ৰান্ত হোৱাত কৃষকসকলৰ মাজত হাহাকাৰ কৰিবলগীয়া হৈছে। খেতিয়কসকলে বিভিন্ন ধৰণৰ ঔষধ ব্যৱহাৰ কৰিছে যদিও কোনো ফল পোৱা নাই বুলি জানিব পৰা গৈছে। ফল লাগিবৰ সময়ত জাকত জিলিকাকৈ গঢ়ি তোলা আলু গছৰ পাত মৰহি যোৱাৰ লগতে আলু পচিব ধৰিছে। চৰকাৰী সা-সুবিধা নোহোৱাকৈ বিঘাই প্ৰতি ১৫/২০ হাজাৰ টকা খৰচ কৰি জাকত জিলিকাকৈ গঢ়ি তোলা খেতিত আলু প্ৰায় ধৰিবৰ সময়ত এনেদৰে নষ্ট হৈ যাব ধৰাৰ সময়তো কিন্তু বঙাইগাঁও কৃষি বিভাগৰ লোকে কোনো ধৰণৰ খবৰ লোৱা নাই বুলি জানিব পৰা গৈছে। কৃষকসকলৰ এনেকুৱা দুৰ্দশাৰ সময়ত সহায় কৰিবলৈ জিলা কৃষি বিভাগক অনুৰোধ জনাইছে।

# সোণাৰিৰ জ্যেষ্ঠ কংগ্ৰেছী নেতা ৰমেশ কৰ্মকাৰৰ আকস্মিক বিয়োগ

**জনগণ সেৱা, সোণাৰি, ৬ ডিচেম্বৰ ঃ** চৰাইদেউ জিলাৰ নাফুক নিৱাসী তথা জ্যেষ্ঠ কংগ্ৰেছী নেতা, পশ্চিম অভয়পুৰ সমবায় সমিতিৰ সভাপতি ৰমেশ কৰ্মকাৰ (৬৫)ৰ আজি দুপৰীয়া প্ৰায় ১২ বজাত ডিব্ৰুগড়ৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত আকস্মিক বিয়োগ ঘটে। তেওঁৰ বিয়োগত অবিভক্ত শিৱসাগৰ জিলাৰ কংগ্ৰেছ দলৰ নেতা-কৰ্মীসকলৰ লগতে সোণাৰি বিধান সভা সমষ্টিৰ বিভিন্ন মহলত শোকৰ ছাঁ পৰিছে। উল্লেখযোগ্য যে বিগত কিছুদিন ধৰি কৰ্মকাৰ কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুটিকৈ পুত্ৰ-কন্যা ইহসংসাৰত এৰি থৈ গৈছে। প্ৰয়াত কৰ্মকাৰ শিৱসাগৰ জিলা কংগ্ৰেছৰ প্ৰাক্তন সাধাৰণ সম্পাদক, চৰাইদেউ জিলা কংগ্ৰেছৰ উপ-সভাপতি, পশ্চিম অভয়পুৰ সমবায় সমিতিৰ সভাপতি, চৰাইদেউ শিক্ষা আৰু বিকাশ সমিতিৰ সভাপতি, চাহ শ্ৰমিক কল্যাণ পৰিষদৰ হিতাধীকাৰী বাচনি সমিতিৰ তেওঁ সদস্য হোৱাৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি এক ৰাজহুৱা জীৱন যাপন কৰা কৰ্মকাৰৰ বিয়োগত শোকস্তব্ধ হৈ পৰিছে সোণাৰি আৰু মাহমৰা বিধান সভা সমষ্টিৰ কংগ্ৰেছী শিবিৰ।

# আদিত্য ডাইগনেষ্টিক এণ্ড হাস্পতালৰ তেজ পৰীক্ষাৰ ফলাফলক লৈ প্ৰতিক্ৰিয়া

**জনগণসেৱা, শিৱসাগৰ, ৬ ডিচেম্বৰ ঃ** শিৱসাগৰ নগৰত অৱস্থিত এখন ব্যক্তিগত চিকিৎসালয় এগৰাকী ৰোগীৰ তেজ পৰীক্ষা কৰি ৰোগীক দিয়া পৰীক্ষাৰ ফলাফলক লৈ সম্প্ৰতি শিৱসাগৰত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। একেজন ৰোগীৰ তেজ পৰীক্ষা কৰাৰ পাছত দুখন চিকিৎসালয়ে ভিন্ন ফলাফল দিয়াক লৈ ৰাইজ এতিয়া বিভ্ৰান্ত হৈ পৰিছে। এই সম্পৰ্কত বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ নগৰ আঞ্চলিক সমিতিয়ে সংশ্লিষ্ট বিভাগৰ বিষয়াক ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে যদিও বাতৰি লিখাৰ সময়লৈকে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই । প্ৰাপ্ত অভিযোগ অনুসৰি ২৭নবেম্বৰত শিৱসাগৰ নগৰৰ বাসিন্দা প্ৰয়াত জমীৰ খানৰ পত্নী মেৰিজা খান স্বাস্থ্যৰ পৰীক্ষাৰ বাবে শিৱসাগৰ নগৰৰ আদিত্য ডাইগনেষ্টিক এণ্ড হাস্পতালত ভৰ্তি হৈছিল। মহিলা গৰাকীৰ তেজৰ নমুনা আৰু কিছু আনুসাংগিক কেইটামান পৰীক্ষা কৰোৱাৰ অন্তত হাস্পতাল কতৃপক্ষই মহিলা গৰাকীৰ দুয়োটা বৃক্ক বিকল হোৱা বুলি ঘোষণা কৰে। কাৰণ মহিলা গৰাকীৰ টেষ্ট ৰিপৰ্টত ক্ৰেটিনাইনৰ ৩০ mg/dl বুলি উল্লেখ আছিল। যাৰবাবে মহিলা গৰাকী মানসিকভাৱে ভাগি পৰাৰ লগতে পৰিয়ালৰলোকে চিন্তিত হৈ পৰে আৰু উন্নত চিকিৎসাৰ বাবে লগে লগে ডায়েলেছিছ বা উন্নত চিকিৎসাৰ বাবে চেন্নাই নতুবা ডিব্ৰুগড়স্থ আদিত্য নাচিংহোমত ভৰ্তি কৰোৱাৰ পৰামৰ্শ কৰে হাস্পতাল কৰ্তৃপক্ষই। আনহাতে পৰিয়ালৰ লোকে সন্দেহ প্ৰকাশ কৰি ২৮ নৱেম্বত শিৱসাগৰ নগৰৰ সম্প্ৰীতি নাচিংহোমত পুনৰ একেটা পৰীক্ষা কৰে য'ত উক্ত ক্ৰেটিনাইনৰ পৰিমাণ মাত্ৰ ৩০ mg/d বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে চিকিৎসা বিজ্ঞানৰ মতে মানৰ শৰীৰত ক্ৰেটিনাইনৰ পৰিমাণ সৰ্বোচ্চ ১.৫ mg/dl থাকিব পাৰে, ইয়াৰ অধিক হ'লে ৰোগীজন মৃত্যুমুখত পৰে। আনহাতে মহিলাগৰাকীৰ ক্ষেত্ৰত আদিত্য হাস্পতালৰ মতে ৩০ mg/dl যিটো অতি অস্বাভাৱিক। প্ৰাপ্ত অভিযোগ অনুসৰি শিৱসাগৰ নগৰকে ধৰি শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তত যোৱা কিছুদিনৰ পৰা একাংশ ব্যৱসায়ীয়ে চিকিৎসা বিভাগৰ বিভিন্ন লেব'ৰেটৰী স্থাপন কৰি ৰোগীসকলৰ পৰা অবাধ হাৰত ধন আহৰণ কৰি আহিছে। এই ক্ষেত্ৰত কোনো ধৰণৰ নীতি নিয়ম নোহোৱা হৈছে। আনহাতে নিশাটোৰ ভিতৰতে গঢ়লৈ উঠিছে বিভিন্ন ধৰণৰ ফাৰ্মাচী। অসমৰ স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিভাগটোক সৎ আৰু নিকা পথেৰে আগুৱাই নিবলৈ অহৰহ চেষ্টা কৰি থকাৰ সময়তে জিলা খনৰ স্বাস্থ্য বিভাগত অব্যাহত থকা বিভিন্ন অনিয়মৰ বিপক্ষে স্বাস্থ্য বিভাগে কৰা চৰম আৱহেলা অতি দুৰ্ভাগ্য জনক বিষয়।

# মাজুলীৰ দক্ষিণপাট সত্ৰৰ ব্ৰহ্মপুত্ৰ পূজা-উদয়াস্ত পালনাম

**জনগণ সেৱা, কমলাবাৰী, ৬ ডিচেম্বৰ ঃ** মাজুলীৰ ঐতিহাসিক ৰাজসত্ৰ দক্ষিণপাট সত্ৰৰ ব্ৰহ্মপুত্ৰ পূজা আৰু উদয়াস্ত পালনাম ২০১৮ চনৰ ফেব্ৰুৱাৰী মাহৰ ১০ডিচেম্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰিছে। ইতিমধ্যে এই উৎসৱলৈ সত্ৰখনত প্ৰস্তুতি আৰম্ভণি চলিছে। সত্ৰাধিকাৰ চ'ৰাত এখনি সভা অনুষ্ঠিত হয়। সভাখনত সভাপতিত্ব কৰে সত্ৰৰ জ্যেষ্ঠ বৈষ্ণৱ তথা বৰভৰালী নৰেন কটকী দেৱে। সভাখনত সত্ৰাধিকাৰ ননীগোপাল দেৱ গোস্বামী, আশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীৰ লগতে স্থানীয় ৰাইজ আৰু সত্ৰৰ বৈষ্ণৱসকল উপস্থিত থাকে। বৈষ্ণৱ ব্ৰজেন নেওগে আঁত ধৰা সভাখনত স্থানীয় বিশিষ্ট ব্যক্তিসকলে এই তিনিদিনীয়া কাৰ্যসূচীৰ বিষয়ে আলোচনা কৰি এখন উদ্‌যাপন সমিতি প্ৰস্তুত কৰে। সত্ৰাধিকাৰ ননীগোপাল দেৱ গোস্বামীক সভাপতি, অৱসৰপ্ৰাপ্ত শিক্ষক ঘন ভৰালীক কাৰ্যকৰী সভাপতি, সত্ৰৰ বৈষ্ণৱ নাৰায়ণ বৰাক সম্পাদক হিচাপে উদ্‌যাপন সমিতি গঠন কৰে। প্ৰথম দিনা ব্ৰহ্মপুত্ৰ পূজা দিয়াৰ পাছত স্থানীয় ৰাইজৰ মাজত সাংস্কৃতিক অনুষ্ঠান। দ্বিতীয় দিনা পালনাম আৰু তৃতীয় দিনা সত্ৰৰ শিষ্যসকলৰ মাজত সত্ৰৰ উন্নয়নৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠান হ'ব।

# হাউলীত চিআৰপিএফৰ উদ্যোগত 'স্বচ্ছতাই সেৱা' কাৰ্যসূচী




**জনগণ সেৱা, হাউলী, ৬ ডিচেম্বৰ ঃ** হাউলীস্থিত দশম বেটেলিয়ন চিআৰপিএফৰ উদ্যোগত আজি পুৱা ১০ বজাত হাউলীৰ ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়ত 'স্বচ্ছতাই সেৱা কাৰ্যসূচী ৰূপায়ন কৰে। উক্ত কাৰ্যসূচী উদ্বোধন কৰে বাহিনীটোৰ দ্বিতীয় অধিনায়ক টিকে লালে। চিকিৎসালয়খনৰ চিকিৎসক ডাঃ চানোৱাৰ মোল্লাই উদ্বোধক টিকে লালক সম্বৰ্ধনা জনায়। আজিৰ এই অনুষ্ঠানটোৰ বাহিনীটোৰ এছআইডিজে বৰা, চিকিৎসালয়খনৰ চিকিৎসক ডাঃ ৰাজেল দাস, ডাঃ আবুল বাচাৰ আজাদৰ লগতে সাংবাদিক নিতুমণি দাস উপস্থিত থাকে। 'স্বচ্ছতাই সেৱা' কাৰ্যসূচীৰ লগত সংগতি ৰাখি চিকিৎসালয় চৌহদত গছ পুলি ৰোপণ কৰে চিআৰপিএফৰ জোৱানসকলৰ লগতে চিকিৎসালয়খনৰ চিকিৎসক কৰ্মচাৰীবৃন্দই। চিআৰপিএফ বাহিনীৰ প্ৰায় ৩০ জন জোৱান আৰু গ্ৰাম্য চিকিৎসালয়ৰ কৰ্মচাৰীসকলে কাৰ্যসূচীটোত সহযোগ কৰে।

# পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি বৰপেটা জিলা উপায়ুক্তৰ সভাকক্ষত গুৰুত্বপূৰ্ণ সভা

## পঞ্চায়ত নিৰ্বাচনৰ বাবে বৰপেটা সদৰ মহকুমাত ভোটাৰ তালিকা প্ৰকাশ

**জনগণ সেৱা, বৰপেটা ৬ ডিচেম্বৰ ঃ** আগন্তুক পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি সাজু হৈ পৰিছে বৰপেটা জিলা প্ৰশাসন। পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি আজি বৰপেটা জিলাৰ উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা উপায়ুক্ত থানেশ্বৰ মালাকাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সভাত উপায়ুক্ত গৰাকীয়ে আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে ২০১৭-১৮ বৰ্ষৰ বাবে বৰপেটা সদৰ মহকুমাত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰে। চূড়ান্ত ভোটাৰ তালিকা অনুযায়ী বৰপেটা সদৰ মহকুমাৰ মুঠ ভোটাৰৰ সংখ্যা ৮,২৯,০১৮। ইয়াৰে পুৰুষ ভোটাৰ ৪,৩০,৯০৭ গৰাকী আৰু মহিলা ভোটাৰ ৩,৯০,৯৩৯ গৰাকী। সভাত জিলা নিৰ্বাচন বিষয়া প্ৰাঞ্জল প্ৰতীম কোঁৱৰ, জনসংযোগ বিষয়া ত্ৰিদীৱ নন্দ বৰাৰ লগতে জিলাখনৰ উন্নয়ন খণ্ডসমূহৰ খণ্ড উন্নয়ন বিষয়া আৰু বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধি উপস্থিত থাকে। উপায়ুক্তৰ কাৰ্যালয়ত মুকলি কৰা এই চূড়ান্ত ভোটাৰ তালিকা অচিৰেই প্ৰতিটো পঞ্চায়ত কাৰ্যালয়তে উপলব্ধ হ'ব বুলি উপায়ুক্ত গৰাকীয়ে জানিবলৈ দিয়ে। আনহাতে, পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকাত থকা বিসংগতিসমূহ তৎকালে দূৰ কৰিবলৈ সকলো পক্ষকে আহ্বান জনায় উপায়ুক্ত গৰাকীয়ে। এইক্ষেত্ৰত ৰাজনৈতিক দলসমূহকো সহায়-সহযোগ কৰিবলৈ আহ্বান জনায় উপায়ুক্ত গৰাকীয়ে। ইয়াৰ উপৰি যিসকল ব্যক্তিয়ে পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব তেওঁলোকে অনতিপলমে তেওঁলোকৰ নামত থকা বিসংগতিসমূহ তৎকালে দূৰ কৰিবলৈ আহ্বান জনায় উপায়ুক্ত গৰাকীয়ে।

# বঢ়মপুৰ-ডিফলুত মধ্য নগাঁও সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ সভা সম্পন্ন

**জনগণ সেৱা, বঢ়মপুৰ, ৬ ডিচেম্বৰ ঃ** মধ্য নগাঁও সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ উদ্যোগত কালি নগাঁও জিলাৰ ডিফলু সমবায় সমিতি আৰু বঢ়মপুৰ সমবায় সমিতিৰ অন্তৰ্গত সুলভ মূল্যৰ ব্যৱসায়ী, সমবায় সমিতিৰ কৰ্মচাৰী আৰু পৰিচালনা সমিতিৰ কৰ্মকৰ্তাৰ মাজত পৃথকে পৃথকে দুখনকৈ সভা অনুষ্ঠিত হৈ যায়। পুৱা ১০ বজাৰ পৰা ডিফলু সমবায় সমিতিৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা সভাত সভাপতিত্ব কৰে ডিফলু সমবায় পৰিচালনা সমিতিৰ সভাপতি উপেন কলিতাই। আনহাতে বিয়লি ২ বজাৰ পৰা বঢ়মপুৰ ছহিদ ভৱনত অনুষ্ঠিত হোৱা সভাখনত সভাপতিত্ব কৰে বঢ়মপুৰ সমবায় পৰিচালনা সমিতিৰ সভাপতি দিলীপ দাসে। মধ্য নগাঁও সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ সম্পাদক আদিত্য শইকীয়াই সজাগতামূলক দুয়োখন সভাতে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি সদৌ অসম গাঁও পঞ্চায়ত পৰ্যায়ৰ সমবায় সমিতিৰ কৰ্মচাৰী সন্থা আৰু সদৌ অসম সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ সিদ্ধান্ত অনুসৰি আগন্তুক জানুৱাৰী মাহত খাদ্য সুৰক্ষাৰ চাউল বিতৰণ বন্ধ কৰাৰ স্বাৰ্থত সমবায় সমিতিসমূহক আৰ টি জি এছ নকৰিবলৈ আহ্বান জনায়। মধ্য নগাঁও সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ মুখ্য উপদেষ্টা নীলৰঞ্জন শৰ্মা, উপদেষ্টা পূৰ্ণ বৰা, সভাপতি মোহন চন্দ্ৰ বৰা, উপ-সভাপতি ভৱানন্দ শইকীয়াই দুয়োখন সভাতে উপস্থিত থাকি সমবায় সমিতিসমূহৰ কৰ্মচাৰীসকলৰ লগতে সুলভ মূল্যৰ ব্যৱসায়ীসকলৰ পাৰিশ্ৰমিক তথা সমবায় সমূহৰ সমস্যা সন্দৰ্ভত বক্তব্য আগবঢ়ায়।



*সৰ্বভাৰতীয় অসামৰিক সুৰক্ষা আৰু গৃহৰক্ষী দিৱসত মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ অভিবাদন গ্ৰহণ, গুৱাহাটীত*

# হাতে লিখা আলোচনী 'ধামধুলি' উন্মোচন

**জনগণ সেৱা, শিমলুগুৰি, ৬ ডিচেম্বৰ ঃ** খেলুৱা প্ৰাথমিক শিক্ষাখণ্ডৰ অধীনৰ ধামধুলি মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ সংসদে প্ৰকাশ কৰা হাতে লিখা আলোচনী 'ধামধুলি'ৰ দ্বিতীয় সংখ্যা অলপতে উন্মোচন হয়। বিদ্যালয়খনত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত হলৌফুকন সমলকেন্দ্ৰৰ সমন্বয়ক পৱন বৰুৱাই অষ্টম শ্ৰেণীৰ ছাত্ৰ মানৱজ্যোতি ফুকনৰ সম্পাদনাত প্ৰকাশ পোৱা 'ধামধুলি' দ্বিতীয় সংখ্যা উন্মোচন কৰি বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনী প্ৰতিভাক প্ৰশংসা কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি যতীন গগৈয়ে পৌৰহিত্য কৰা অনুষ্ঠানটিৰ আঁত ধৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক ভূৱন ৰাজকোঁৱৰ। অনুষ্ঠানত কেইবাগৰাকীও শিশু বক্তাৰ লগতে ধামধুলিৰ সম্পাদনা উপদেষ্টা শিক্ষক প্ৰণৱজ্যোতি দত্তইও বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানতেই বিদ্যালয়খনৰ প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়।

# মুক্তিযোদ্ধা ৰতিকান্ত বৰগোহাঁইৰ বিয়োগ

**জনগণ সেৱা, মৰাণ, ৬ ডিচেম্বৰ ঃ** মুক্তিযোদ্ধা ৰতিকান্ত বৰগোহাঁই আৰু নাই। ৫ ডিচেম্বৰত মৰাণৰ সমীপৰ বকতা চেপন হ'লগুৰি নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত স্বৰ্গগামী হয়। মৃত্যুৰ সময়ত মুক্তিযোদ্ধা গৰাকী বয়স হৈছিল ৯৪ বছৰ। মুক্তি যুঁজাৰু ৰতিকান্ত বৰগোহাঁইয়ে মহা মানৱ মহাত্মা গান্ধী আৰু বিনোৱা ভাৱেৰ আদৰ্শৰে দেশ স্বাধীন কৰা আন্দোলনত জঁপিয়াই পৰিছিল। ১৯৯৩ আৰু ১৯৯৭ চনত তদানীন্তন অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ক্ৰমে প্ৰয়াত হিতেশ্বৰ শইকীয়া আৰু প্ৰফুল্ল কুমাৰ মহন্তৰ চৰকাৰে মহান ব্যক্তিগৰাকীক সন্মান জনাই তাম্ৰ পত্ৰ প্ৰদান কৰিছিল। ২০১৬ চনত সৰ্বোদয় বঁটাৰে সন্মানিত ৰতিকান্ত বৰগোহাঁইয়ে মৃত্যু সময়লৈকে মুক্তি যোদ্ধাৰ চৰকাৰী পেঞ্চন পায় আছিল। মুক্তি যুঁজাৰু ৰতিকান্ত বৰগোহাঁইয়ে অসম আন্দোলনতো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। আজীৱ সমাজৰ হকে কাম কৰি যোৱা সমাজহিতৈষী গৰাকী অসম গণ পৰিষদ দলৰ শিৱসাগৰ জিলাৰ উপ-সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। মুক্তিযোদ্ধাগৰাকীয়ে এটা সময়ত পাৰিজাত গাঁও পঞ্চায়তৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহক কৰিছিল। তেখেতৰ মৃত্যুৰ বাতৰি বিয়পি পৰা লগে লগে গুণমুগ্ধসকল আহি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। থাওঁৰা বিধানসভা সমষ্টিৰ বিধায়ক কুশল দুৱৰী, পূৰ্বাঞ্চল তাই সাহিত্য সভা উপ-সভাপতি অতুল ফুকনকে প্ৰমুখ্য কৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে মুক্তিযোদ্ধা গৰাকীৰ ঘৰত উপস্থিত হৈ শোক সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে আৰু মুক্তি যুঁজাৰু গৰাকীৰ বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰে।

# ভোটাৰ সজাগতা ঃ তেজপুৰত ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ প্ৰতিযোগিতা

**জনগন সেৱা, তেজপুৰ, ৬ ডিচেম্বৰ ঃ** ই ভি এম মানে কি? ভাৰতৰ নিৰ্বাচনী আয়োগৰ মুখ্য কাৰ্যালয়ত ক'ৰ অৱস্থিত? ভোটাৰ তালিকা কি? এজন ভোটাৰ হ'বলৈ নিম্নতম কিমান বছৰৰ প্ৰয়োজন? এজন ভোটাৰ হ'বলৈ নিম্নতম কিমান বছৰৰ প্ৰয়োজন? ন'টাই কি বুজাই? বি এল অ' মানে কি? চি ই অ' মানে কি? ৰাষ্ট্ৰীয় ভোটাৰ দিৱস কেতিয়া? বি এল অ' মানে কি? ভাৰতৰ নিৰ্বাচনী আয়ুক্তৰ নাম কি? আদিকে ধৰি ভোটাৰ আৰু নিৰ্বাচন সম্পৰ্কীয় লিখিত প্ৰশ্নৰে আজি তেজপুৰত ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হয় লিখিত কুইজ প্ৰতিযোগিতা। ভাৰতীয় নিৰ্বাচন আয়োগে ভোটাৰৰ সজাগতাৰ ওপৰত দেশজুৰি আৰম্ভ কৰা সজাগতা অভিযানৰ অংশ হিচাপে আজি তেজপুৰত জিলা নিৰ্বাচনী বিষয়া কাৰ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হোৱা জিলা ভিত্তিক এই কুইজ প্ৰতিযোগিতাত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। তেজপুৰৰ ৰাষ্ট্ৰভাষা বিদ্যালয়ত শোণিতপুৰ জিলা সংমণ্ডলৰ কাৰ্যালয়ৰ সহযোগত অনুষ্ঠিত হোৱা জিলা ভিত্তিক এই কুইজ প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰি বিদ্যালয়সমূহৰ পৰিদৰ্শক প্ৰভাত দাসে ভাৰতীয় গণতন্ত্ৰত নিৰ্বাচনৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে এই ক্ষেত্ৰত ভোটাৰসকলৰ সজাগতাৰ দিশটোৰ ওপৰত আলোকপাত কৰে। ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজয় কাণ্ডুলনা, বিদ্যালয়সমূহৰ তত্বাৱধায়ক শিক্ষক শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু নিৰ্বাচনী বিষয়া কাৰ্যালয়ৰ একাংশ কৰ্মাচাৰীৰ উপস্থিতিত ৰাষ্ট্ৰভাষা বিদ্যালয়ৰ সহকাৰী শিক্ষক পংকজ বৰুৱাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত এই প্ৰতিযোগিতাৰ পৰিচালকদ্বয় অধ্যাপক ড° পলাশমণি শইকীয়া আৰু বিষয় শিক্ষক শশী উপাধ্যায়েও ছাত্ৰ-ছাত্ৰীসকলক ভোটাৰৰ দায়ৱদ্ধতা আৰু কৰ্তব্যৰ সন্দৰ্ভত মন্তব্য আগবঢ়ায়। জিলা ভিত্তিত এই প্ৰতিযোগিতাত তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ছাত্ৰী ববী হাজৰিকা আৰু নীলাক্ষী শইকীয়া ৰাজ্যিক প্ৰতিযোগিতালৈ নিৰ্বাচিত হয়।

# ১৫১ গৰাকী কৃষকক ভূমি স্বাস্থ্য পৰীক্ষা পত্ৰ প্ৰদান

## দুধনৈত বিশ্ব ভূমি দিৱস পালন

**জনগণ সেৱা, দুধনৈ, ৬ ডিচেম্বৰ ঃ** দুধনৈস্থিত কৃষি বিজ্ঞান কেন্দ্ৰ, গোৱালপাৰা আৰু গোৱালপাৰা জিলা কৃষি বিভাগৰ যুটীয়া উদ্যোগত ৫ ডিচেম্বৰত দুধনৈত বিশ্ব ভূমি স্বাস্থ্য দিৱস পালন কৰা হয়। এই উপলক্ষে দুধনৈৰ জনমন্দিৰ প্ৰাংগণত অনুষ্ঠিত হোৱা সভাখনৰ আৰম্ভণিতে ভাৰতীয় কৃষি অনুসন্ধান পৰিষদ, নতুন দিল্লীৰ পৰা প্ৰেৰণ কৰা কৃষি সম্পৰ্কীয় দুখন ছুটী ভিডিঅ' প্ৰজে''ৰৰ জৰিয়তে ভাৰতৰ বিভিন্ন ৰাজ্যৰ কৃষি সম্পৰ্কত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কী বাত'ৰ কিছু কথা উপস্থিত কৃষকসকলক অৱগত কৰা হয়। বিশ্ব ভূমি স্বাস্থ্য দিৱস উপলক্ষে অনুষ্ঠিত হোৱা সভাত পৌৰহিত্য কৰে ৰাষ্ট্ৰীয় গাহৰি গৱেষণা কেন্দ্ৰ, ৰাণীৰ প্ৰধান বিজ্ঞানী ড° মদন কুমাৰ তামুলীয়ে। দুধনৈস্থিত কৃষি বিজ্ঞান কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত কাৰ্যক্ৰম সমন্বয়ক তথা পশু পালন বিভাগৰ বিশেষজ্ঞ ড° হিতু চৌধুৰীয়ে সভাত বিশ্ব ভূমি স্বাস্থ্য দিৱসৰ তাৎপৰ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰে। গোৱালপাৰা জিলা কৃষি বিষয়া বুধিন্দ্ৰ নাথ হাজৰিকা উপস্থিত থাকি জিলাখনৰ কৃষি সম্পৰ্কে বিভিন্ন দিশ অৱগত কৰাৰ লগতে মাটিৰ গুণাগুণৰ বিষয়সমূহ ৰাইজক জানিবলৈ দিয়ে। গোৱালপাৰা জিলা আত্মাৰ প্ৰকল্প উপ-সঞ্চালক দিলোৱাৰ হুছেইনে খেতিয়কসকল 'চইল হেলথ কাৰ্ড'ৰ বিষয়ে বহল ব্যাখ্যা দাঙি ধৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই কয় যে— গোটেই বিশ্বত বৰ্তমান পৰিৱৰ্তন ঘটিছে। সেই পৰিৱৰ্তনৰ লগতে কৃষি ক্ষেত্ৰতো পৰিৱৰ্তন হৈছে। কৃষকে খেতি কৰিব পৰা মাটিডৰা স্বাস্থ্যবান আছে নে নাই সেই সম্পৰ্কত কৃষি বিজ্ঞানীসকলৰ জৰিয়তে তাৰ গুণাগুণ পৰীক্ষা কৰি এই মাটিৰ পৰা উৎপাদন দুগুণ বৃদ্ধি কৰিব পাৰিব বুলি উল্লেখ কৰে। তেওঁ কয় ভাৰতৰ গ্ৰীন ৰিভলিউচনৰ পিতৃ হ'ল এম এছ স্বামীনাথন। কৃষিৰ ক্ষেত্ৰত তেওঁৰ অৱদান সম্পৰ্কেও বহল ব্যাখ্যা দাঙি ধৰে। ইপিনে মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে তেওঁৰ ভাষণত উল্লেখ কৰে যে ৰাভা হাছং এলেকাৰ ৩০ গৰাকী কল খেতিয়কক ৰাভা হাছংৰ আৰ্থিক সাহায্যৰে মহাৰাষ্ট্ৰলৈ প্ৰেৰণ কৰিব। এইসকল খেতিয়কে মহাৰাষ্ট্ৰলৈ গৈ কল খেতিৰ বিষয়ে ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰিব। সভাখনত আঁত ধৰে কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যান শস্য বিভাগৰ বিশেষজ্ঞা মৌচুমী ভূএগ্ৰাই। গোৱালপাৰা জিলা কৃষি বিভাগৰ উদ্যোগত আৰু 'এচিয়ান মিচুন ইন্সটিটিউট' নামৰ এনজিঅ'ৰ জৰিয়তে জিলাখনৰ বিভিন্ন খেতিয়কৰ মাটিৰ গুণাগুণ পৰীক্ষা কৰি ১৫১ গৰাকী কৃষকক 'চলই হেলথ কাৰ্ড' প্ৰদান কৰে। সভাত কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ ড° হৰিচৰণ কলিতা, ড° উৎপল ভট্টাচাৰ্য, মীনাক্ষী বৰা কামান আৰু পলী শইকীয়াৰ লগতে গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইৰ প্ৰায় তিনিশ পুৰুষ-মহিলা উপস্থিত থাকে।

# সৃজনগ্ৰামত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ আঞ্চলিক সমিতি গঠন

**জনগণ সেৱা, সৃজনগ্ৰাম, ৬ ডিচেম্বৰ ঃ** অসমৰ খিলঞ্জীয়া ৰাইজৰ স্বাৰ্থৰ হকে অবিৰতভাৱে সংগ্ৰাম কৰি অহা অসমৰ এক অন্যতম ছাত্ৰ সংগঠন অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বঙাইগাঁও জিলাৰ অন্তৰ্গত সৃজনগ্ৰাম আঞ্চলিক সমিতিখন পুনৰ গঠন কৰা হৈছে। সেই উপলক্ষে বৰঘোলাস্থিত জ্ঞানজ্যোতি জাতীয় বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত সাধাৰণ সভাখন সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য গণেশ দাসৰ সভাপতিত্বত অনুষ্ঠিত কৰা হয়। সভাত উপস্থিত থাকি সংগঠনটোৰ বঙাইগাঁও জিলা সমিতিৰ সাধাৰণ সম্পাদক ৰূপক ৰায়ে অংশগ্ৰহণ কৰি সংগঠনটোৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বিশদভাৱে বৰ্ণনা কৰে। উক্ত সভাতেই সৃজনগ্ৰামৰ সৰবৰহী যুৱনেতা ছফিকুল আলম শ্বেইখক সভাপতি আৰু নয়ন ৰায়ক সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। সভাৰ অন্তিম কাৰ্যসূচী সভাপতিৰ ভাষণত সভাৰ সভাপতি তথা সংগঠনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য গণেশ দাসে যুৱ-ছাত্ৰ পৰিষদৰ মূল দাবী পূৰ্ণ স্বায়ত্ত শাসন, দ্বি-নাগৰিকত্ব আৰু আন্তঃৰাষ্ট্ৰীয় পাৰপত্ৰৰ ওপৰত বক্তব্য আগবঢ়াই দাবীকেইটা পূৰণ কৰাৰ বাবে সংগঠনটোৱে সদায় সংগ্ৰাম অব্যাহত ৰাখিব বুলি মন্তব্য আগবঢ়ায়।